স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

□ সপ্তম বছৰ □ সংখ্যা ২৬৩ □ বুধবাৰ □ ১২ আঘোণ ১৯৩৯ শক □ ২৯ নৱেম্বৰ ২০১৭ চন □ WEDNESDAY 29 NOVEMBER 2017

# হৰিশংকৰ ব্ৰহ্মালৈ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা

**ষ্টাফ ৰিপৰ্টাৰ, ২৮ নৱেম্বৰ ঃ** দেশৰ প্ৰাক্তন মুখ্য নিৰ্বাচনী আয়ুক্ত হৰিশংকৰ ব্ৰহ্মাক প্ৰদান কৰা হ'ব চলিত বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা। অহা ১১ ডিচেম্বৰত ব্ৰহ্মাক এই বঁটা প্ৰদান কৰিব কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে। আজি গুৱাহাটীত এখন সংবাদ মেলত এই কথা সদৰী কৰে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° হিতেশ ডেকাই। উল্লেখ্য যে ভাৰতৰ মুখ্য *১০ পৃষ্ঠাত*

## হৰিশংকৰ ব্ৰহ্মালৈ কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা

নিৰ্বাচনী আয়ুক্ত হিচাপে দায়িত্ব পালন কৰা প্ৰথমগৰাকী অসমীয়া হৈছে ড° ব্ৰহ্মা। কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটাত আছে ৫ লাখ টকা, এখন মানপত্ৰ আৰু স্মাৰক। ইয়াৰ পূৰ্বে মহাকাশ বিজ্ঞানী জিতেন্দ্ৰ নাথ গোস্বামী আৰু শিক্ষাবিদ ড° মৃণাল মিৰিক এই বঁটা প্ৰদান কৰা হৈছিল। একে সময়তে পৰ্বতাৰোহী অংচু জামচেনপা আৰু তৰুণ প্ৰজন্মৰ লেখিকা শৰ্মিষ্ঠা প্ৰীতমক প্ৰদান কৰা হ'ব ৰাষ্ট্ৰীয় ফেল'শ্বিপ। মাত্ৰ ১০ দিনৰ ভিতৰত দুবাৰকৈ এভাৰেষ্ট শৃংগ জয় কৰি বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল অংচু জামচেনপাই। তেনেদৰে শাৰীৰিক প্ৰতিবন্ধকতা নেওচি সৃষ্টিশীল জগতত নিজৰ নাম উজলাই তুলিবলৈ সক্ষম হৈছে শৰ্মিষ্ঠা প্ৰীতমে। এই ফেল'শ্বিপত দুয়োগৰাকীয়ে লাভ কৰিব ছয় লাখকৈ টকা। প্ৰতি দুবছৰৰ মূৰে মূৰে প্ৰদান কৰা হয় ৰাষ্ট্ৰীয় ফেল'শ্বিপ। আনহাতে, কেন্দ্ৰীয় অসামৰিক সেৱা (ইউ পি এছ চি)ৰ প্ৰাৰম্ভিক পৰীক্ষাত উত্তীৰ্ণ পাঁচগৰাকী মহিলা প্ৰাৰ্থীক ১ লাখ টকাকৈ জলপানি প্ৰদান কৰিব কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে। চলিত বছৰৰ জলপানি লাভ কৰা প্ৰাৰ্থীসকল হৈছে যশোধাৰা দাস, বিপাশা কলিতা, সোমা ৰয়, নম্ৰতা বৰুৱা আৰু স্বম্মা পাৰবিন। বিশ্ববিদ্যালয়ৰ পৰিয়ালৰ প্ৰতিজন সদস্যৰ মাহিলি আৰ্থিক অনুদানেৰে গঠন কৰা ড° এ পি জে আব্দুল কালাম ষ্টুডেণ্টছ ৱেলফেয়াৰ মিছনৰ অধীনত এই জলপানি প্ৰদান কৰা হ'ব। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে বিশ্ববিদ্যালয়ৰ মাদাৰ টেৰেছা সামাজিক কল্যাণ অভিযানৰ জৰিয়তে দুখন জনজাতীয় গাঁৱৰ আৰ্থ-সামাজিক বিকাশৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ৰাণী উন্নয়ন খণ্ডৰ অধীনৰ হানাপাৰা আৰু দক্ষিণ ভোলাগাঁৱক আদৰ্শ গাঁও হিচাপে প্ৰতিষ্ঠা কৰিবলৈ বিশ্ববিদ্যালয়খনে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। সংবাদ মেলত ড° ডেকাই সদৰী কৰা অনুসৰি ড° এ পি জে আব্দুল কালাম ষ্টুডেণ্টছ ৱেলফেয়াৰ মিছন আৰু মাদাৰ টেৰেছা সামাজিক কল্যাণ মিছনৰ বাবে বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীসকলে প্ৰতিদিনে দৰমহাৰ পৰা বৰঙণি আগবঢ়ায়। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে প্ৰতিদিনে এটকা, তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীয়ে প্ৰতিদিনে দুটকাকৈ প্ৰদান কৰে। পদবী অনুসৰি আৰ্থিক অনুদানৰ পৰিমাণ সুকীয়া। উপাচাৰ্যই প্ৰতিদিনে ২০ টকাকৈ দুয়োটা পুঁজিলৈ আগবঢ়াই আহিছে। এই প্ৰসংগত উপাচাৰ্যগৰাকীয়ে কয়— 'প্ৰতিখন শৈক্ষিক প্ৰতিষ্ঠানে সামাজিক দায়বদ্ধতাত গুৰুত্ব প্ৰদান কৰা উচিত।' উল্লেখ্য যে অহা ১১ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া বঁটা প্ৰদান অনুষ্ঠানত ৰাজ্যপাল ড° জগদীশ মুখী, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব।